














নোহ আৰু মহা জলপ্লাৱন

ঈশ্বৰৰ বাক্য, বাইটবেলত,

এইট কাহিনী পোৱা যায়

আদিপুস্তক ৬ - ১০ অধ্যায়

“তোমাৰ বাক্য প্ৰকাশে দীপ্তি দিয়ে।”
গীতমালা ১১৯: ১৩০ পদ।

তুমি যদি এইট সত্যত বিশ্বাস কৰা, তেতিয়া ঈশ্বৰক এইদৰে কোৱা: প্ৰিয় যীচু, মইট বিশ্বাস কৰো যে, আপুনি ঈশ্বৰ, মোৰ পাপৰ কাৰণে মৃত্যু বৰণ কৰিবলৈ আপুনি মানুহৰ ৰূপ ধাৰণ কৰিলে, আৰু এতিয়া আপুনি আকৌ জীৱিত। মোৰ জীৱনলৈ আহঁক আৰু মোৰ পাপবোৰ ক্ষমা কৰক, যাতে এতিয়া মইট নতুন জীৱন পাব পাৰো, আৰু এদিন চিৰদিনৰ কাৰণে আপোনাৰ লগত থাকিবলৈ আপোনাৰ ওচৰলৈ যাব পাৰো। আপোনাৰ বাধ্য হৈ আপোনাৰ সন্তানৰ দৰে আপোনাৰ কাৰণে জীয়াইট থাকিবলৈ মোক সহায় কৰক। আমেন।

বাইটবেলখন পঢ়া আৰু প্ৰতিদিনে ঈশ্বৰৰ লগত কথোপকথন কৰা! যোহন ৩: ১৬ পদ।

Assamese

লিখিছে: Edward Hughes
অনুবাদ কৰিছে: ড: ৰন্তি ৰাণী সিং, এম, এচ, চি. পি এইচ. ডি.
ব্যাখ্যা কৰিছে: Byron Unger; Lazarus
গ্ৰহন কৰিছে: M. Maillot; Tammy S.

Story 3 of 60

**M1914.org**

**Bible for Children, PO Box 3, Winnipeg MB R3C 2G1 Canada**

অনুমতি: এইট কাহিনীটো নকল বা ছপা কৰা অধিকাৰ আপোনাৰ আছে, কিন্তু হটয়াক বিক্ৰি নকৰিব।







ঈশ্বৰে নোহক সাৱধান কৰি দিছিল যে, “এক মহা জলপ্লাবন হব আৰু পৃথিৱী ঢাকি ধৰিব।”
3
নোহক আদেশ দিয়া হৈছিল, “কাঠেৰে এখন জাহাজ নিৰ্ম্মাণ কৰা, এখন হটমান প্ৰকাণ্ড নাওঁ যত তোমাৰ পৰিয়াল আৰু অনেক জীৱ-জন্তু থাকিব পাৰিব”। নোহক ঈশ্বৰে সঠিক নিৰ্দ্দেশ দিছিল। নোহ ব্যস্ত হৈ পৰিল ।
4
জাহাজখন কিয় নিৰ্ম্মাণ কৰিছে,
এইট কথা বুজাইট দিওঁতে লোকবিলাকে স ৰ তেওঁক ঠাট্টা কৰিছিল।
5
কিন্তু নোহে নিৰ্ম্মাণ কাৰ্য্য চলাইট থাকিল । লোকবিলাকৰ আগত তেওঁ ঈশ্বৰৰ বিষয়েও
কৈ থাকিল। কোনেও তেওঁৰ কথা নুশুনিলে।
6
নোহৰ দৃঢ় বিশ্বাস আছিল। আগতে কেতিয়াও বৰষুণ নপৰা সত্তেও তেওঁ ঈশ্বৰক বিশ্বাস কৰিছিল। নানা বিধ সামগ্ৰীৰে পূৰ কৰিব পৰাকৈ জাহাজখনৰ নিৰ্ম্মাণ কাৰ্য্য সম্পূৰ্ণ হৈ উঠিছিল।
7
এতিয়া জন্তুবোৰ আহিল। কোনো কোনো প্ৰজাতিৰ সাত বিধ আন কিছুমানৰ দুবিধ লৈছিল। বৃহত্ আৰু সৰু আকাৰৰ চৰাইটবোৰ, ক্ষুদ্ৰ ক্ষুদ্ৰ আৰু উখ, উখ পশুবোৰ জাহাজখনলৈ আগবাঢ়িব ধৰিলে।
8
জন্তু আৰু পশুবোৰ জাহাজ উঠাওতে লোকবিলাকে নিশ্চয়ে নোহক ঠাট্টা আৰু তিৰস্কাৰ কৰি চিঞৰিছিল।
9
ঈশ্বৰৰ অহিতে পাপ কৰিবলৈ তেওঁলোকে বাদ দিয়া নাছিল। জাহাজত সোমাবলৈ তেওঁলোকে নোহৰ অনুমতি বিচৰা নাছিল।
10
অৱশেষত সকলোবোৰ জন্তু, পশু আৰু চৰাইটবোৰ জাহাজখনত সোমাইট পৰিল। ঈশ্বৰে নোহৰ নিমন্ত্ৰণ কৰিলে, “জাহাজখনলৈ সোমাইট আহাঁ”।
11
“তুমি আৰু তোমাৰ পৰিয়াল”। নোহ, তেওঁৰ ভাৰ্য্যা, তেওঁৰ তিনিজন পাত্ৰ আৰু তেওঁলে াকৰ ভাৰ্য্যাসকলে জাহাজখনত প্ৰবেশ কৰিলে। তাৰ পিছত ঈশ্বৰে জাহাজখনৰ দুৱাৰ খন বন্ধ কৰি দিলে!
12
তাৰ পিছত বৰষুণ আহিল। চল্লিশ দিন আৰু চল্লিশ ৰাতি ধাৰাসাৰ বৰষুণে পৃথিৱীখন বুৰাইট পেলাইটছিল।
13
জলপ্লাৱনে নগৰ আৰু গাওঁবোৰ বুৰাইট পেলাইটছিল। যেতিয়া বৰষুণ এৰিলে, তেতিয়া পৰ্ব্বতসমূহো পানীৰ তলত বুৰ গৈ আছিল। উশাহ-নিশাহ লোৱা সকলোৰে মৃত্যু হৈছিল।
14
পানী ওপৰলৈ উঠি অহাত, জাহাজখন উপঙিবলৈ ধৰিলে। ভিতৰখন অন্ধকাৰ, উখোৰা-মোখোৰা আৰু হয়তো ভয় লগাও আছিল। কিন্তু জাহাজখনে নোহক জলপ্লাৱনৰ সময়ত আশ্ৰয় দিছিল।
15
জলপ্লাৱনৰ পাঁচ মাহৰ পিছত, শুকাবলৈ ঈশ্বৰে বতাহ বলোৱালে। ধীৰে ধীৰে, ওখ পৰ্ব্বত মালা অৰাৰটত জাহাজখন ৰৈ গ’ল । পানী কমি নহালৈকে নোহ আৰু চল্লিশ দিন জাহাজখনৰ ভিতৰত থাকিল।
16
জাহাজখনৰ খোলা খিড়িকীৰে নোহে এজনী ঢোঁৰা কাউৰী আৰু কপৌ চৰাইট উড়ুৱাইট পঠালে। জিৰণি লবলৈ শুকান, পৰিস্কাৰ ঠাইট বিচাৰি নোপোৱাত, কপৌ চৰাইট জনী নোহৰ ওচৰলৈ উভতি আহিছিল।
17
এসপ্তাহৰ পিছত নোহে পুনৰ চেষ্টা কৰিলে। জিত বৃক্ষৰ এখিলা নতুন পাত ঠোঁটত লৈ
কপৌজনী উভতি আহিছিল। পিছৰ সপ্তাহত নোহে বুজিছিল যে পৃথিৱীৰ পানী শুকাইটছে কিয়নো কপৌজনী আৰু উভতি নাহিল।
18